# অসম বিধান সভা
## তৰা বিহীন প্ৰশ্ন: ৪৭৩
**Date of Reply: 23/07/2026**

বিষয় : ছাত্ৰ-ছাত্ৰী সকলৰ ইউনিৰ্ফম
বিধায়কৰ নাম : ডাঃ আচিফ মঃ নাজাৰ

**প্ৰশ্নঃ**

মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে:

(ক) শিক্ষা বৰ্ষ তিনিটা মাহ অতিক্ৰম কৰাৰ পাছতো মৰিগাঁও জিলাত কিয় নৱম আৰু দশম মানৰ ছাত্ৰ-ছাত্ৰী সকলক ইউনিৰ্ফমৰ কাপোৰ যোগান ধৰা হোৱা নাই? এই ছাত্ৰ-ছাত্ৰী সকলৰ ইউনিফৰ্ম যোগানৰ দায়িত্ব কাক দিয়া হৈছে আৰু কেতিয়ালৈ যোগান ধৰা হ'ব?

(খ) লাহৰীঘাট সমষ্টিৰ নতুন চৰকাৰী কলেজ স্থাপন কৰা অথবা বৰ্তমান থকা কলেজত চৰকাৰী অনুদানেৰে বিজ্ঞান আৰু বাণিজ্য শাখা সম্পূৰ্ণৰীপে মুকলি কৰাৰ বাবে পৰিকল্পনা কৰিছে নেকি?

**<u>উত্তৰঃ</u>**

মাননীয় শিক্ষামন্ত্ৰী ডাঃ ৰানোজ পেগুৱে উত্তৰ দিব:

(ক) অসমৰ মাধ্যমিক বিদ্যালয়সমূহত অসম চৰকাৰৰ পুজিঁৰ তৰফৰ পৰা ইউনিফৰ্ম যোগানৰ ক্ষেত্ৰত নিবিদা আহ্বান কৰি নিবিদাকাৰী সকলক কাৰ্য নিৰ্দেশনা জাৰি কৰাৰ পিছত ইউনিফৰ্মৰ জোখমাখ/পৰিমাপ প্ৰতিখন বিদ্যালয়ৰ পৰা সংগ্ৰহ কৰা হয়। এই প্ৰক্ৰিয়াটি অত্যন্ত জটিল আৰু দীঘলীয়া সময়ৰ প্ৰয়োজন হয়।

ইউনিফৰ্মৰ গুণগত মান নিশ্চিত কৰাৰ উদ্দেশ্যে নিবিদাকাৰী ভিত্তিত নমুনাসমূহ বিভিন্ন জিলাৰ পৰা সংগ্ৰহ কৰি স্বীকৃত পৰীক্ষাগাৰত (Laboratory) পৰীক্ষা কৰা হয়। পৰীক্ষাত নিৰ্ধাৰিত মানদণ্ডত উত্তীৰ্ণ হোৱাৰ পিছতহে সংশ্লিষ্ট বিদ্যালয়সমূহলৈ ইউনিফৰ্ম যোগান আৰু বিতৰণৰ অনুমতি প্ৰদান কৰা হয়। এই দীঘলীয়া প্ৰক্ৰিয়াৰ বাবেই কিছু পলম হৈছে যদিও বৰ্তমান জিলা ভিত্তিত ইউনিৰ্ফমসমূহ যোগান আৰু বিতৰণৰ প্ৰক্ৰিয়া চলি আছে।

মৰিগাঁও জিলাৰ ছাত্ৰ-ছাত্ৰীসকলৰ ইউনিফৰ্ম যোগান ধৰাৰ ক্ষেত্ৰত নিবিদা অনুসৰি মেচাৰ্ছ পদমচান্দ মিলাপচান্দ জৈন নামৰ নিবিদাকাৰীয়ে লাভ কৰিছে।

গ্ৰীষ্মকালীন বন্ধৰ পিছত বিদ্যালয় পুনৰ খোলাৰ লগে লগে সকলো চৰকাৰী মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ইউনিফৰ্ম লাভ কৰিব। শিক্ষা বিভাগে শিক্ষাৰ্থীসকলক গুণগত মানসম্পন্ন ইউনিফৰ্ম প্ৰদান নিশ্চিত কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ দায়িত্বশীলভাৱে কাৰ্য সম্পাদন কৰি আহিছে। সময়মতে ইউনিফৰ্ম প্ৰদান নিশ্চিত কৰিবলৈ বিভাগে নিয়মীয়া পৰ্যবেক্ষণ আৰু তদাৰকী অব্যাহত ৰাখিছে।

(খ) সমষ্টি পুনৰ গঠনৰ পূৰ্বে লাহৰীঘাট সমষ্টিত ভূৰাগাওঁ মহাবিদ্যালয়, কুশতলি মৰিগাওঁ চৰকাৰী আদৰ্শ মহাবিদ্যালয় আৰু মৈৰাবাৰী মহাবিদ্যালয় অৱস্থিত আছিল। বৰ্তমানে লাহৰীঘাট সমষ্টিত মৈৰাবাৰী মহাবিদ্যালয় অৱস্থিত। মৈৰাবাৰী মহাবিদ্যালত বিজ্ঞান আৰু বাণিজ্য শাখা মুকলি কৰাৰ সম্বন্ধে নিয়মানুযায়ী প্ৰস্তাৱ পালে বিধিগতভাৱে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পৰা হ'ব। এই বিষয়টো মূল্যায়ণ কৰা হ'ব।

----উপৰোক্ত প্ৰশ্নোত্তৰ **National e-Vidhan Application (NeVA)** পৰ্টেলত উপলব্ধ কৰা হৈছে---